NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*
**HEADLINES**

০০০০০০০০০

১। ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্য্যায়ৰ আৰু মহাৰাষ্ট্ৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি পৰে।

২। কেন্দ্ৰীয় বিত্ত আৰু কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে ভাৰতীয় ষ্টেট বেংকৰ অতুলনীয় বিকাশ গাথাৰ প্ৰশংসা কৰিছে।

৩। অহা বছৰৰ ১১ আৰু ১২ জানুৱাৰীত হ'বলগীয়া ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ-২০২৫ক বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনাৰূপে উদযাপন কৰা হ'ব বুলি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই ঘোষণা কৰিছে।

৪। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত গৃহ মন্ত্ৰ্যালয়ৰ উচ্চপদস্থ বিষয়া-বৰ্গৰ সৈতে বৈঠকত মিলিত হয়।

***আৰু***

৫। কেন্দ্ৰীয় চৰকাৰে ছত্তিশগড়ৰ গুৰু ঘাচিদাস - তমোৰ পিংগলা সংৰক্ষিত বনাঞ্চলক দেশৰ ৫৬ সংখ্যক ব্যাঘ্ৰ সংৰক্ষিত অঞ্চলৰূপে ঘোষণা কৰিছে।

০০০০০০০০০

ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্য্যায়ৰ আৰু মহাৰাষ্ট্ৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি পৰে। ঝাৰখণ্ডত পৰহিলৈ ৩৮ টা সমষ্টিৰ কাৰণে দ্বিতীয় পৰ্য্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্য্যায়ৰ বাবে এন ডি এ আৰু ইণ্ডি মিত্ৰজোটৰ নেতাসকলে ভোটদাতা ৰাইজৰ মন আকৰ্ষণ কৰাৰ উদ্দেশ্যে ডেৰশৰো অধিক নিৰ্বাচনী ৰেলীত অংশগ্ৰহণ কৰে। এন ডি এৰ নেতাসকলে বাংলাদেশী অনুপ্ৰৱেশৰ লগতে হেমন্ত চোৰেণ নেতৃত্বাধীন চৰকাৰৰ অধীনত হোৱা দুৰ্নীতি, নিবনুৱা সমস্যা আৰু নগদ ধন প্ৰদান আঁচনি আদি বিষয় লৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়। ইপিনে, ইণ্ডি মিত্ৰজোটে মহিলাসকলৰ বাবে নগদ ধনৰ গেৰাণ্টি, যুৱক-যুৱতীসকলৰ বাবে কৰ্ম-সংস্থাপন, ঝাৰখণ্ডৰ প্ৰতি কেন্দ্ৰৰ বৈষম্যমূলক দৃষ্টিভংগী আৰু পৰ্য্যাপ্ত পুঁজিৰ আবণ্টন নিদিয়া আদিক প্ৰচাৰ অভিযানৰ মুখ্য বিষয় হিচাপে প্ৰাধান্য দিয়া দেখা গৈছিল।

মহাৰাষ্ট্ৰ বিধানসভাৰ ২৮৮ খন আসনৰ বাবে হ'বলগীয়া নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি তুংগত উঠে। প্ৰধানমন্ত্ৰী তথা এন ডি এৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীকে ধৰি শাসনাধিষ্ঠিত মহাজোট আৰু উদ্ধৱ থাকৰে নেতৃত্বাধীন মহাবিকাশ জোটৰ নেতাসকলে নিজ নিজ প্ৰাৰ্থীক জয়ী কৰোৱাৰ বাবে ভালেসংখ্যক সভা আৰু নিৰ্বাচনী শোভাযাত্ৰাত অংশগ্ৰহণ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় বিত্ত আৰু কৰ্পʼৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে ভাৰতীয় ষ্টেট বেংকৰ অতুলনীয় বিকাশ গাথাৰ প্ৰশংসা কৰিছে। মুম্বাইত আজি ভাৰতীয় ষ্টেট বেংক - এছ্ বি আইৰ মুম্বাইৰ মুখ্য শাখাৰ শতবৰ্ষ উদযাপন অনুষ্ঠানত ভাষণ দি বিত্ত মন্ত্ৰীগৰাকীয়ে কয়, যে Imperial Bank of India গঠনৰ বাবে তিনিটা Presidency Bank একত্ৰিত কৰা হৈছিল, যাক বৰ্তমান ভাৰতীয় ষ্টেট বেংক হিচাপে জনা যায়। ১৯২০ চনত এই বেংকটো ২৫০ টা শাখা থকাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান এই বেংকটোৰ ২২ হাজাৰ ৫০০ টাৰো অধিক শাখা থকাৰ লগতে ৬৫ হাজাৰটা এ টি এম, ৮৫ হাজাৰ বিষয়া-কৰ্মচাৰী আৰু ৫০ কোটিৰো অধিক গ্ৰাহক আছে। Fortune-5০০ৰ তালিকাত স্থান লাভ কৰা এছ্ বি আই-য়েই দেশৰ একমাত্ৰ বেংক বুলিও তেওঁ লগতে উল্লেখ কৰে।

শ্ৰীমতী সীতাৰমণে লগতে দেশত ডিজিটেল বেংক সেৱাৰ বিকাশ আৰু প্ৰসাৰৰ বাবে এছ্ বি আয়ে গ্ৰহণ কৰা পদক্ষেপৰো শলাগ লয়। বেংকটোৱে প্ৰতিদিনে ২০ কোটি ইউ পি আই লেন-দেন কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি শ্ৰীমতী সীতাৰমণে এটা স্মাৰক মুদ্ৰাও মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে Evolution of State Bank of india শীৰ্ষক গ্ৰন্থৰ পঞ্চম খণ্ডৰ লগতে Evolution of State Bank of india - শীৰ্ষক শ্ৰব্য গ্ৰন্থৰ প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম খণ্ড উন্মোচন কৰে। অনুষ্ঠানত বিত্ত সেৱা বিভাগৰ সচিব এম নাগাৰাজু আৰু এছ্ বি আইৰ অধ্যক্ষ চি এছ্ চেট্টি প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০০

অহা বছৰৰ ১১ আৰু ১২ জানুৱাৰীত হ'বলগীয়া ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ-২০২৫ক বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনাৰূপে উদযাপন কৰা হ'ব বুলি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই ঘোষণা কৰিছে। আজি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলযোগে মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰীমন্দাভিয়াই কয়, যে এই মঞ্চখনৰ জৰিয়তে দেশৰ যুৱ শক্তিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁৰ সন্মুখত নিজৰ নিজৰ দৃষ্টিভংগী দাঙি ধৰাৰ সুযোগ লাভ কৰিব। দেশৰ বিভিন্ন প্ৰান্তৰ যুৱ প্ৰতিভাসমূহ চিনাক্ত কৰি সেইসমূহ বিকশাই তোলাৰ লগতে বিকশিত ভাৰত সন্দৰ্ভত তেওঁলোকৰ দৃষ্টিভংগী দাঙি ধৰাৰ বাবে এখন উপযুক্ত মঞ্চ প্ৰদান কৰাই এই আলোচনাৰ মূল উদ্দেশ্য বুলিও শ্ৰীমন্দাভিয়াই লগতে কয় -

-বাইট-

এই আলোচনাৰ বাবে নিৰ্ধাৰিত তিনিটা শিতানৰ পৰা  দেশৰ ভিন্ন প্ৰান্তৰ ৩ হাজাৰ যুৱক-যুৱতীক বাছনি কৰা হ'ব আৰু তেওঁলোকে অহা বছৰ নতুন দিল্লীৰ ভাৰত মণ্ডপমত হ'বলগীয়া মূল কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

২০২৪ চনৰ ভিতৰত ভাৰতে সৰ্বোচ্চ ৭ শতাংশ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰেৰে জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ মাজত শীৰ্ষস্থান লাভ কৰিব বুলি থাৰৰ কৰা হৈছে। মাই গভ্‌ প'ৰ্টেলৰ জৰিয়তে সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰকাশ কৰা অনুসৰি গোলকীয় প্ৰত্যাহ্বানসমূহৰ মাজতো স্থায়ী আৰু দ্ৰুত বিকাশৰ হাৰেৰে এই সাফল্যই ভাৰতীয় অৰ্থনীতিৰ বিকাশৰ কথাকেই প্ৰতিফলিত কৰিছে। তালিকাত ৫ শতাংশৰে ইন্দোনেছিয়া দ্বিতীয় স্থানত থকাৰ বিপৰীতে ৪ দশমিক ৮ শতাংশ বিকাশৰ হাৰেৰে চীন তৃতীয় স্থানত আছে।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আছিয়ান ডিফেন্স মিনিষ্টাৰ্ছ মিটিং প্লাছত অংশ লোৱাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে পৰহিলৈ লাওছলৈ যাব। অহা ২০ৰ পৰা ২২ নৱেম্বৰলৈকে হ'বলগীয়া এই বৈঠকত শ্ৰী সিঙে আঞ্চলিক আৰু আন্তৰ্জাতিক প্ৰতিৰক্ষা বিষয়সমূহ সন্দৰ্ভত ভাষণ দিব। এই বৈঠকৰ আপাহতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লাওছৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া, নিউজিলেণ্ড, ফিলিপিনছ্ আৰু দক্ষিণ কোৰিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকতো মিলিত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত মণিপুৰৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত গৃহ মন্ত্ৰালয়ৰ উচ্চপদস্থ বিষয়াবৰ্গৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত গৃহ মন্ত্ৰীগৰাকীয়ে মণিপুৰৰ শেহতীয়া পৰিস্থিতিৰ পৰ্যালোচনা কৰি ৰাজ্যখনৰ সুস্থিৰতা  আৰু জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। একেৰাহে দ্বিতীয় দিনৰ বাবে মণিপুৰৰ পৰিস্থিতি পৰ্যালোচনা কৰা গৃহমন্ত্ৰীগৰাকীয়ে আজিৰ বৈঠকতে ৰাজ্যখনলৈ কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ অতিৰিক্ত ৫০ টা বেটেলিয়ন প্ৰেৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে মণিপুৰৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে কেইদিনমান পূৰ্বে ৰাজ্যখনলৈ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ২০ টা কোম্পানী প্ৰেৰণ কৰিছিল।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে যোৱা পযেকটোত মণিপুৰত সংঘটিত হিংসাত্মক ঘটনাৰ তিনিটা গোচৰ অনুসন্ধানৰ বাবে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা - এন আই এক দায়িত্ব দিয়া হৈছে।

০০০০০০০০০

সান্ধ্য আইনৰ কবলত থকা মণিপুৰৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে যদিও ভিতৰি ভিতৰি উত্তেজনা অব্যাহত আছে। যোৱা সপ্তাহত উগ্ৰপন্থীয়ে অপহৰণ কৰা ছজন লোকৰ পাঁচজনৰ মৃতদেহ উদ্ধাৰৰ পাছত জিৰিবামত কালি ব্যাপক প্ৰতিবাদৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিৰাপত্তা বাহিনীয়ে গুলীচালনা কৰাত এজন প্ৰতিবাদকাৰী আহত হয়। নিশাৰ ভাগত সশস্ত্ৰ দুষ্কৃতিকাৰীয়ে জিৰিবামৰ কংগ্ৰেছ আৰু বিজেপি দুয়ো দলৰে জিলা কাৰ্যালয় দুটাত অগ্নি সংযোগ কৰে।

মণিপুৰত বাহৰ পাতি থকা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান অনিছ দয়াল সিঙে আজি ইম্ফলত আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ মুৰববীসকলৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যেৰে এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰাৰ কথা আছে।

মণিপুৰৰ সাম্প্ৰতিক উত্তেজনাময় পৰিস্থিতিৰ প্ৰভাৱ ৰাজ্যখনৰ ৰাজনীতিতো পৰিলক্ষিত হৈছে। আজি জিৰিবামৰ বিজেপিৰ জিলা পৰ্যায়ৰ ৮ গৰাকী বিষয়ববীয়াই দল ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে।

এন বীৰেন সিং নেতৃত্বাধীন চৰকাৰখনৰ প্ৰতি কনৰাড চাংমা নেতৃত্বাধীন এন পি পিৰ ৭জন বিধায়কে সমৰ্থন প্ৰত্যাহাৰ কৰাৰ কথা কালি ঘোষণা কৰিছে। ইপিনে, চৰকাৰখনলৈ নিঃচৰ্ত সমৰ্থন আগবঢ়াই থকা নাগা পিপ'ল্ছ ফ্ৰণ্টে ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিত তেওঁলোকে চৰকাৰলৈ আগবঢ়োৱা সমৰ্থন কোনোপধ্যে প্ৰত্যাহাৰ নকৰে বুলি স্পষ্ট কৰি দিছে। আজি বিয়লি ইম্ফলত আয়োজিত এখন সংবাদমেলত ৰাজ্যিক এন পি এফ নেতৃত্বই কয়, যে মণিপুৰৰ পৰিস্থিতিৰ বাবে কেৱল চৰকাৰেই দায়ী নহয়, ইয়াৰ সৈতে ভালেকেইটা তৃতীয় পক্ষ জড়িত আছে।

০০০০০০০০০

বাংলাদেশৰ আন্তৰ্জাতিক অপৰাধ ন্যায়াধীকৰণে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাচিনা আৰু আন ৪৫ গৰাকী ব্যক্তিৰ বিৰুদ্ধে ৰুজু কৰা দুটা গোচৰ সন্দৰ্ভত এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। বৈষম্য বিৰোধী ছাত্ৰ আন্দোলনৰ সময়ছোৱাত গণহত্যাত জড়িত থকা আৰু মানৱতা বিৰোধী কাৰ্যকলাপৰ অভিযোগ সন্দৰ্ভত ন্যায়াধীশ গোলাম মৰ্টুজা মজুমদাৰে দেশখনৰ তদন্তকাৰী সংস্থাক এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়াৰ লগতে বৰ্তমান দেশ এৰি পলায়ন কৰা শ্বেখ হাছিনাকে ধৰি আন সকলো অভিযুক্ত সন্দৰ্ভত আদালতত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ আগতে আজি পুৱাৰ ভাগত পূৰ্বৰ আৱামী লীগ চৰকাৰৰ ৯গৰাকী মন্ত্ৰীসহ ১৩ গৰাকী অভিযুক্তক বৈষম্য বিৰোধী আন্দোলনৰ সময়ছোৱাত হত্যাকাণ্ডত জড়িত থকাৰ অভিযোগ সম্পৰ্কীয় গোচৰত আদালতত হাজিৰ কৰোৱা হয়।

০০০০০০০০০

সমাপ্ত